**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-05-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
***::::::::::::::::::::::::::::::::::::***

অহা ৪ জুনত দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ ১৪টা সমষ্টিৰ বাবে হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি আৰম্ভ কৰিছে। বিভিন্ন জিলাত ভোটগণনা কাৰ্যৰ বাবে প্ৰশাসনে প্ৰস্তুতিৰ বুজ ল'বলৈ বৈঠকত মিলিত হৈছে।

ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনে তৎপৰ হৈ উঠিছে। গণনাৰ বাবে নিয়োজিত বিষয়া, মাইক্ৰ'অবজাৰ্ভৰ, সহকাৰী বিষয়াকে ধৰি সংশ্লিষ্টসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ আজি ডিব্ৰুগড় জিলা পুথিভঁৰালত অনুষ্ঠিত হয়। যোৱা ২৪ মে'ত প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল। একেদৰে তিনিচুকীয়া জিলাত ভোট গণনাৰ দায়িত্ব নিৰ্বাহ কৰিবলগীয়া বিষয়া কৰ্মচাৰীসকলৰ বাবে আজি এটা বিশেষ প্ৰশিক্ষণ অনুষ্ঠিত হয়। জিলাখনৰ বৰদলৈ নগৰত থকা তিনিচুকীয়া নগৰ উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত প্ৰশিক্ষণ কাৰ্যসূচীত চাৰি শতাধিক বিষয়া-কৰ্মচাৰীয়ে অংশ লয়। প্ৰশিক্ষণ কালত ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো বিষয় বিতংকৈ ব্যাখ্যা কৰা হয়। উল্লেখযোগ্য যে তিনিচুকীয়া জিলা প্ৰশাসনে প্ৰথমবাৰৰ বাবে সৰ্বানন্দ সিংহ ষ্টেডিয়ামত ভোটগণনা কেন্দ্ৰ স্থাপন কৰিছে। এই কেন্দ্ৰত তিনিচুকীয়া নিৰ্বাচনী জিলাৰ অন্তৰ্গত ডিগবৈ, তিনিচুকীয়া, মাকুম আৰু ডুমডুমা বিধানসভা সমষ্টিৰ ভোটগণনা কৰা হ'ব। প্ৰতিটো সমষ্টিৰ বাবে ১৪খন টেবুলৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিখন টেবুলত একোগৰাকীকৈ গণনা তত্বাৱধায়ক, গণনা সহকাৰী আৰু একোজন মাইক্ৰ'অবজাৰ্ভাৰ থাকিব। অহা ৩১ মে'ত তেওঁলোকৰ আন এটা পৰ্যায়ত প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ইপিনে মাৰ্ঘেৰিটা মহকুমাধিপতি আৰু শদিয়া মহাকুমাধিপতিৰ কাৰ্যালয়ত মাৰ্ঘেৰিটা আৰু শদিয়া বিধানসভা সমষ্টিৰ ভোটগণনা কৰা হ'ব। অহা ৪ জুনৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা কৰা হ'ব।

কাৰ্বি আংলং জিলাৰ ডিফু লোকসভা সমষ্টিত ৪ জুনত হ'বলগীয়া ভোটগণনাৰ বাবে প্ৰস্তুতি অব্যাহত আছে। কাৰ্বি আংলং, বোকাজান, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও নিৰ্বাচনী জিলাত পুৱা ৮ বজাৰ পৰা ভোটগণনা কৰা হ'ব। ডিফুৰ আই এছ বি টি, বোকাজান চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, পশ্চিম কাৰ্বি আংলঙৰ হামৰেন চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ডিমা হাচাও আয়ুক্ত কাৰ্যালয়ত ভোটগণনাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ডিফু আই এছ বি টি ভোটগণনাৰ বাবে তিনিটা কক্ষ সাজু কৰা হৈছে। ১৪ খন টেবুলত ভোটগণনা কৰা হ'ব আৰু প্ৰায় ৫ হাজাৰ ৫০০ ডাক বেলটৰ ভোট গণনা কৰা হ'ব।

০০০০০

তিনিচুকীয়া জিলাত ডায়েৰীয়া সদৃশ ৰোগত কেইবাজনো চাহ শ্ৰমিক মৃত্যু হোৱা পৰিপ্ৰেক্ষিতত শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে চাহ বাগিচাসমূহৰ পৰিচালক তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে এখন বৈঠকত মিলিত হয়। এই ৰোগ প্ৰতিৰোধ কৰাৰ লগতে পৰিত্ৰাণৰ বাবে তৎপৰতাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে সংশ্লিষ্ট সকলোকে শ্ৰম মন্ত্ৰীগৰাকীয়ে বৈঠকত নিৰ্দেশ দিয়ে। লেতেৰা পানীৰ

পৰা হ'ব পৰা ৰোগ প্ৰতিৰোধৰ কাৰণে জল জীৱন মিছনৰ অধীনত বিশুদ্ধ খোৱাপানী যোগান সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক মন্ত্ৰী কিষাণে নিৰ্দেশ দিয়ে। ইয়াৰ লগতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা নিৰ্মাণ হ'বলগীয়া শৌচাগাৰসমূহৰ কামো অতি সোনকালে সম্পূৰ্ণ কৰিবলৈ তেওঁ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ জাৰি কৰে। আনহাতে স্বাস্থ্য বিভাগৰ পৰা চাহ বাগিচাবোৰৰ বিভিন্ন চিকিৎসালয় আৰু স্বাস্থ্য কেন্দ্ৰসমূহত মুঠ ৮১ গৰাকী সামুহিক স্বাস্থ্য অধিকাৰী নিযুক্তি দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

আনহাতে ৰাজ্যৰ বিভিন্ন জিলাসমূহত বৃদ্ধি পোৱা গ্ৰীষ্মকালীন ৰোগৰ পৰিপ্ৰেক্ষিতত জিলাসমূহৰ স্বাস্থ্য বিভাগে সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। যোৰহাট জিলাত ভাইৰেল জ্বৰ, ডায়েৰীয়াকে ধৰি গ্ৰীষ্মকালীন ৰোগৰ প্ৰাৰ্দুভাৱৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাট জিলা প্ৰশাসনে জিলা স্বাস্থ্য বিভাগৰ প্ৰত্যক্ষ নিৰ্দেশনাত সকলো আশাকৰ্মী আৰু স্বাস্থ্য অনুষ্ঠানসমূহৰ জৰিয়তে জিলাখনৰ প্ৰতিখন গাঁৱত এনে ৰোগৰ জৰীপ কাৰ্যসূচী আৰম্ভ কৰিছে। জিলাখনৰ বিদ্যালয়, নামঘৰ, অন্যান্য ৰাজহুৱা স্থান, চাহ বাগান অধ্যুষিত অঞ্চল ইত্যাদিত সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে বয়োজ্যেষ্ঠ লোক আৰু শিশুসকলৰ কাৰণে স্বাস্থ্য পৰীক্ষা শিবিৰ, তেজৰ নমুনা সংগ্ৰহ, বিনামূলীয়া ঔষধ প্ৰদান, আঁঠুৰা ঔষধিকৰণ ইত্যাদি কাৰ্যসূচী হাতত লোৱা হৈছে।

ইফালে জাপানী এনকেফেলাইটিছৰ প্ৰাৰ্দুভাৱৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ হস্তক্ষেপত উজনিৰ জিলাসমূহলৈ গুৱাহাটীৰ পৰা স্বাস্থ্য বিশেষজ্ঞৰ এটা দল প্ৰেৰণ কৰা হৈছে।

০০০০০

গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ চাংখাটিত আৰক্ষীয়ে বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ তিনিটা সৰবৰাহকাৰীক আটক কৰিছে। গোলাঘাট আৰক্ষীয়ে চলোৱা এই অভিযানত প্ৰায় ডেৰ কোটি টকা মূল্যৰ হেৰ'ইন জব্দ কৰাৰ লগতে সৰবৰাহকাৰীকেইটাক আটক কৰা হয়। সৰবৰাহকাৰী দলটোৱে ডিমাপুৰৰ পৰা এখন বাহনত ৪০ টা চাবোনৰ বাকচত হেৰ'ইনখিনি লুকুৱাই আনিছিল। লোক কেইজনক সম্প্ৰতি মেৰাপানী আৰক্ষীৰ জিম্মাত ৰাখি জেৰা কৰি থকা হৈছে।

যোৰহাট জিলাৰ তিতাবৰত আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ নিষিদ্ধ নিচাযুক্ত টেবলেট আৰু হেৰ'ইন জব্দ কৰে। আৰক্ষীয়ে এই সন্দৰ্ভত এজন লোকক আটক কৰিছে। এই লোকজনে মোকক চাঙৰ পৰা মৰিয়নি হৈ এই নিচাযুক্ত সামগ্ৰিখিনি কঢ়িয়াই আনিছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০

ঃসমাপ্তঃ